# কি, ক'ত, কেতিয়া আৰু কেনেকৈ

# পাঠ: 9

# দ্বিতীয় খণ্ড-ইতিহাস

## চমুকৈ উত্তৰ দিয়া

১। প্ৰশ্নঃ- (ক) ইতিহাস কাক বোলে ?

**উত্তৰঃ-** অতীতত ঘটা প্ৰকৃত ঘটনাৰ ধাৰাবাহিক বিবৰণীসমূহকে ইতিহাস বোলে। ইতিহাসত অতীতৰ মানৱ সমাজৰ সকলো দিশ সামৰি লোৱা গ্ৰহনযোগ্য বৰ্ণনা থাকে।

(খ) সাধুকথা আৰু ইতিহাসে একে অৰ্থ নুবুজায় কিয় ?

**উত্তৰঃ-** সাধুকথা হৈছে অতি প্ৰাচীন কালৰ পৰা আমাৰ সমাজত মুখে মুখে প্ৰচলিত কিছুমান লোককথা আৰু কাহিনী। যিবোৰ সময়ত লিখিত আকাৰতো প্ৰকাশ পাইছে। এইবোৰ কাহিনী শুনিবলৈ আমোদজনক কিন্তু বাস্তৱত সেইবোৰ কাহিনীৰ প্ৰমাণ বিচাৰি পোৱা টান। আনহাতে প্ৰাচীন কালৰ পৰা বৰ্তমানলৈকে পৃথিৱীৰ বিভিন্ন প্ৰান্তত ঘটি থকা মানুহ আৰু সমাজ জীৱনৰ নিৰ্ভৰযোগ্য তথ্যৰ ভিত্তিতহে ইতিহাস ৰচনা কৰা হয়। বৰ্তমানৰ ঘটনাবোৰ অৰ্থপূৰ্ণ ভাৱে বিচাৰ কৰিবলৈ গলে আমি অতীতলৈ যাব লগা হয়। আকৌ নিজৰ ঐতিহ্য পৰম্পৰা, কলা-সংস্কৃতিৰ প্ৰতি আস্থা আৰু সন্মানৰ মনোভাৱ গঢ়ি তোলাৰ প্ৰয়োজন আছে। সেই কালৰ বাবে ইতিহাস অধ্যয়ন নিতান্তই দৰকাৰ বুলি ভবা হয়।

(গ) ইতিহাস অধ্যয়নৰ সমলবোৰ কি কি ?

**উত্তৰঃ-** পুৰণি ভগ্নাৱশেষ, বাচন-বৰ্তন, লিপি, আ-অলংকাৰ, সা-সজুলি আৰু মূৰ্ত্তি, গছৰ বাকলি, তামৰ ফলি, প্ৰাচীন মুদ্ৰা, বেদ, উপনিষদ, ৰামায়ণ, মহাভাৰত, পুৰাণ, তন্ত্ৰশাস্ত্ৰ আৰু বিদেশী পৰ্যটকৰ টোকা বা পুথি, চিত্ৰ-ভাথৰ্ষ।

(ঘ) বেদ, পুৰাণ, মহাভাৰত আদি ইতিহাস অধ্যয়নৰ সমলনে ? যদি হয়, সেইবোৰ কোনবিধ সমলৰ অন্তৰ্গত ?

**উত্তৰঃ-** বেদ, পুৰাণ, মহাভাৰত আদি ইতিহাস অধ্যয়নৰ সমল। এইবোৰ সমলৰ ওপৰত যুগুতোৱা বিবৰণৰ দ্বাৰা সকলো ঘটনাৰ সত্যাসত্য নিৰূপণ নহবও পাৰে এইবোৰ সাহিত্য সমলৰ অন্তৰ্গত।

(ঙ) ইতিহাস অধ্যয়নৰ বৰ্তমান সময়ত প্ৰয়োজনীয় কি আছে বুলি ভাবা ?

**উত্তৰঃ-** অতীতকালৰ পূৰ্বপূৰুষসকলৰ আৰ্থ-সামাজিক আৰু ধৰ্মীয় ব্যৱস্থা, সাজ-পোছাক, মানুহৰ খাদ্যভাস, বাসস্থান, আ-অলংকাৰ আদিৰ বিষয়ে থুলমূলকৈ জানিবলৈ হ'লে ইতিহাস অধ্যয়ন কৰিব লাগিব। আমাৰ নিজৰ ঐতিহ্য, পৰম্পৰা, কলা সংস্কৃতিৰ বিষয়ে আস্থা আৰু সন্মান প্ৰদৰ্শনৰ বাবে ইতিহাস অধ্যয়ন অত্যন্ত আৱশ্যক বুলি ভবা হয়। ইতিহাসে অতীতৰ কোনো এটা নিৰ্দিষ্ট সময়ত ঘটা ঘটনাৱলীৰ লগতে মানৱ জীৱনৰ পৰিৱৰ্তনৰ বিভিন্ন দিশ সামৰি লয়। মানৱ জীৱনৰ আমোদ-প্ৰমোদৰ বিভিন্ন ব্যৱস্থা, সাহিত্য-সংস্কৃতি আদিৰ বিষয়েও ইতিহাসত পোৱা যায়। মুঠতে সামগ্ৰিকভাৱে আমাৰ অতীতৰ সকলো বিষয়ৰ কথা জানিবলৈ হ'লে আমি ইতিহাস অধ্যয়ন কৰিবই লাগিব।

(চ) বুৰঞ্জী আৰু ইতিহাসৰ পাৰ্থক্য কি ?

**উত্তৰঃ-** অসমীয়া ভাষাত বুৰঞ্জী আৰু ইতিহাস একেটা অৰ্থত ব্যৱহাৰ কৰা দেখা যায়। কিন্তু বুৰঞ্জী আৰু ইতিহাস একে নহয়। দুয়োটা শব্দৰ মাজত কিছু গুণগত পাৰ্থক্য আছে। সাধাৰণতে বুৰঞ্জীৰ ৰজা সম্ভ্ৰান্ত পৰিয়ালৰ বিৱৰণহে পোৱা যায়। ইয়াত সাধাৰণ প্ৰজা বা জনসাধাৰণৰ বিষয়ে উল্লেখ নাথাকে। যাৰ বাবে বুৰঞ্জীক ইতিহাস আখ্যা দিয়া নাযায়। আনহাতে, ইতিহাস হ'ল অতীতত ঘটা প্ৰকৃত ঘটনাৰ ধাৰাবাহিক বিৱৰণী। ইতিহাসত অতীতৰ গ্ৰহনযোগ্য মানৱ সমাজৰ সকলো দিশ সামৰি লোৱা এক গ্ৰহনযোগ্য বৰ্ণনা থাকে। ইতিহাস ৰচনা কৰাৰ বাবে বুৰঞ্জীবোৰ এক উল্লেখযোগ্য সমল হিচাপে ধৰা হয়।